بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ১ ছেপ্তেম্বৰত মছজিদ বায়তুল ফুতুহ, মৌৰডন, লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

আল্লাহ তায়লাৰ কৃপাত জলছাৰ দ্বাৰা শ,শ, লোকৰ জ্ঞানৰ দুৱাৰ উন্মোচন হয়, বহুত জনৰ সন্দেহ আৰু মনৰ খুকুৰি দুৰ কৰে, ইছলামৰ প্ৰকৃত প্ৰতিচ্ছবি লোকৰ আগত প্ৰতিভাত হয়, আল্লাহ তায়লা এই বৰকত সমুহ সদায় সম্প্ৰসাৰণ কৰক।

আগষ্ট ২০১৭ চনত অনুষ্ঠিত হোৱা জাৰ্মানিৰ বাৎসৰিক জলছাৰ কেইটামান ঈমান উদ্দীপক মন্তব্য ও ঘটনাৰ বৰ্ণনা ।

তাশ্বাহুদ, তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আল্লাহ তায়লা নিজৰ কৃপাৰে এম.টি.এ ৰ জৰিয়তে গোটেই বিশ্বৰ আহমদী সকলক এনেদৰে একত্ৰিত আৰু সচেতন কৰি দিছে- যে এতিয়া খলিফা ওয়াক্তৰ ভ্ৰমণ আৰু জমাতি কাৰ্য্যক্ৰমনিকা লগতে সংবাদ আদি শুনিবলৈ দীঘলীয়া অপেক্ষা কৰি থাকিব নালাগে বৰং লগে লগেই সকলো খবৰ সম্প্ৰচাৰিত হৈ যায়।

যিয়েই নহওক; কেই দিনমান আগতে জাৰ্মনিৰ জলছা অনুষ্ঠিত হৈ গ'ল। এই জলছা সম্পৰ্কে মানুহে মোলৈ লিখিছে আৰু যতেই মই যাওঁ, সেই ঠাইৰ লোকৰ বিভিন্ন মতামত মই শুনিবলৈ পাওঁ। সকলোৰেই আল্লাহ তায়লাৰ প্ৰশংসা কৰে যে হজৰত মছিহ মাওউদ (আঃ) ৰ জমাতক কেনেদৰে এই নিয়ামতৰ জৰিয়তে অৰ্থাৎ এম.টি.এ ৰ মাধ্যমত এটা অদ্বিতীয় অযুগ্ম জমাত ৰূপে চিহ্নিত কৰিছে আৰু এটা হাৰত খঁচিত মুকুতাৰ দৰে বাহ্যিক সৌন্দৰ্য্য প্ৰকাশৰ সুবিধা প্ৰদান কৰিছে। গতিকে আমি এই বিষয়ে আল্লাহ তায়লাৰ শলাগ লোৱা উচিত, আৰু ইয়াৰ লগতে এম.টি.এ ৰ কৰ্মীবৃন্দলৈ ধন্যবাদ জ্ঞাপন কৰা উচিত। আল্লাহ তায়লা সকলো কৰ্মীবৃন্দক উৎকৃষ্ট ফল দান কৰক।

এনেদৰে বিভিন্ন বিভাগত কাম কৰি থকা কৰ্মী যি সকলে স্বইচ্ছাই খিদমত কৰি আছে আৰু দিনে-ৰাতি অতিথি আলপৈচানত ব্যাস্ত। যি বিভাগত পুৰুষ, মহিলা, ডেকা, ডেকেৰী, ল'ৰা, ছোৱালী সকলোৰে অন্তৰ্ভূক্ত আছে। এওঁলোকে এনে উদ্দমেৰে কাম কৰি আছে যি আদৰ্শ এই যুগত কেৱল জমাত আহমদীয়াৰ মাজতেই দেখিবলৈ পোৱা যায়।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; এনেদৰে জলছাত যোগদান কৰোঁতা সকলে নিজৰ সদাচৰণৰ জৰিয়তে ভালেখিনি প্ৰভাৱ অতিথি বৃন্দৰ ওপৰত বিস্তাৰ লাভ কৰিছে। মই তাৰে প্ৰভাৱ সম্পন্ন কেইটামান মন্তব্য উল্লেখ কৰি আছো। যাতে জলছাৰ বৰকত সমুহৰ এই অংশটোও আমাৰ সন্মুখত আহে আৰু আল্লাহ তায়লাৰ আৰু বেছি বেছি শলাগ লোৱাৰ সুবিধা পাওঁ।

এজন আৰৱ বংশ উদ্ভৱ মুছলমান বন্দু খালিদ চাহাব, যিজনে ৰেডক্ৰচ ছোচাইটিৰ সৈতে কাম কৰে, তেওঁ জাৰ্মানৰ জলছাত যোগদান কৰিছিল। তেওঁ নিজৰ অনুভুতি প্ৰকাশ কৰিবলৈ গৈ কয় যে মই যেতিয়া অমুছলিম সকলৰ ইছলামৰ ওপৰত দোষ জাপি দিয়া বিষয়টো শুনিছিলো তেতিয়া মই মুছলমান সকলৰ অন্তৰ কলহ আৰু ঘৃণাৰ অৱস্থিতিৰ কাৰণে ইছলামক এই সমালোচনাৰ পৰা বচাঁৱ পৰা নাছিলো। আজি এই জলছাত জমাতৰ সমুহীয়া আৰু অকলশৰীয়া শান্তি আৰু পাৰস্পৰিক সহানুভুতি দেখিবলৈ পাই আৰু এওঁলোকৰ খলিফাৰ প্ৰতি থকা ভালপোৱা আৰু আনুগত্য উপলব্দি কৰি মোৰ গৌৰৱত শীৰ উন্নত হৈ উঠিছে। মই এনেকুৱা এটা জমাত নিজ চকুৰে দেখিবলৈ পাইছো যাৰ সদস্য সকলে শান্তি প্ৰিয়, এতিয়া মই আপোনালোকৰ দৃষ্টান্ত অমুছলিম বন্ধু সকলৰ যুক্তিৰ আগত আগবঢ়াই সিহঁতে ইছলামৰ ওপৰত অভিযোগ তোলাৰ পৰা বিৰত কৰিব পাৰিম।

এজন জাৰ্মানি বন্ধু মিছাৰেল ফিছৰ চাহাবে কয় যে; মই এই জলছাত যোগদান কৰাৰ আগত কাকতত পঢ়িছিলো যে আহমদী সকলে শান্তি প্ৰিয় লোক। কিন্তু মোৰ ধাৰণা হৈছিল যে এনেকুৱা দাবী বহুতেই কৰি থাকে। এতিয়া মই ইয়াত আহি নিজ

চকুৰে দেখিবলৈ পাইছো যে ইমান ডাঙৰ ইজতেমা অথচ ইমান শান্তি পূৰ্ণ যে, দেখি আচৰিত লাগে। মই আপোনালোকৰ জলছাত অংশ গ্ৰহন কৰি ইয়াৰ শান্তি পূৰ্ণ পৰিৰেশ চাই, আপোনালোকৰ শান্তিৰ দাবী সত্য বুলি সত্যায়ণ কৰিছো।

দক্ষিণ আমেৰিকাৰ এজনী মহিলা মাৰিয়া যোজে চাহিবায় কয় যে; মই ইয়ালৈ আহি আচৰিত হৈছো যে, সকলো জাতি বংশ, ৰং চেহেৰাৰ লোক এনেকুৱা মিলাপ্ৰীতিৰ সৈতে বৈ আছে আৰু চাৰিওফালে নিৰাপত্তা, শান্তিৰ বাতাবৰণ বিৰাজ কৰিছে। সকলো লোক পৰিতৃপ্ত, কাৰো হৃদয়ত কোনো ভয় নাই। মোৰ বাবে এনেকুৱা শান্তিপূৰ্ণ ইজতেমাত অংশ গ্ৰহন কৰাটো নতুন জ্ঞানৰ আধাৰ স্বৰূপ। মই বাৰ্লিনলৈ ওভতি গৈ জমাত আহমদীয়াৰ মছজিদৰ সৈতে সম্পৰ্ক কৰিম। মই আপোনালোকৰ লগত মিলি হৃদয়ত এক পৰিতৃপ্তি লাভ কৰিছো।

মেছেডোনিয়াৰ ছোচিয়েল ওৱেলফাৰ সংগঠনত কাম কৰা তিনি জনী মহিলা জলছাত যোগদান কৰিছিল। তাৰে এজনী মহিলায় কয় যে, আমি আপোনাৰ লোক আৰু আপোনাৰ শিক্ষা আৰু নেতৃত্ব দেখিবলৈ পাইছো আৰু আমি এই উপলব্দিৰ সৈতে ওভতি গৈ আছো যে তাত গৈ মুছলমান সকলক জমাতৰ সৈতে পৰিচয় কৰাব পাৰো। এই জমাত আৰু ইয়াৰ জলছা অন্যান্য মুছলমানৰ বাবে এক আদৰ্শ স্বৰূপ। এনেকুৱা শান্তিময় শিক্ষা আৰু এনেকুৱা সুসংগঠিত জমাত আজি সৰ্ব জাতিৰ মাজত মুছলমান সকলৰ ফালৰ পৰা প্ৰতিনিধিত্ব কৰাৰ যোগ্য।

লিটুৱাৰ এজনী সাংবাদিকৰ আগেষ্টিন চাহিবায় লিখিছে যে, মই ছয় মাহ ধৰি ইছলামৰ বিভিন্ন ফিৰকাৰ ওপৰত এক প্ৰজেক্ট বনোৱাৰ বাবে ইস্তামবল লৈ গৈছিলো আৰু বিভিন্ন ইছলামী ফিৰকাৰ সৈতে মিলিছো কিন্তু ইয়াত ইমাম জমাত আহমদীয়াক দেখি মোৰ মনৰ অৱস্থা যি হৈছে সেয়া বৰ্নাবিলৈ মোৰ ভাষা নাই।

লিটুৱাৰ কৰ্তব্য বিশ্ব-বিদ্যালয়ৰ অধ্যাপক লোলি পিয়াচ চাহিবা লিখিছে যে, মই জীৱণত এয়া প্ৰথম বাৰ মুছলমান সকলৰ ইমান ডাঙৰ জলছাত অংশ গ্ৰহন কৰিছো। মই ইমাম জমাত আহমদীয়াক প্ৰথমবাৰ যেতিয়া অতি ওচৰৰ পৰা দেখিছিলো তেতিয়া মোৰ হৃদয়ৰ অৱস্থা কেনে হৈছিল সেয়া মোৰ গোটেই জীৱণ মনত থাকিব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; এই বছৰ বুছনিয়াৰ পৰা ৪৬ জনীয় দল এটা জলছাত যোগদান কৰে। তাৰে ১৮ জন আহমদী আৰু বাকী কেইজন জেৰে তবলিগ আছিল। এজনী অতিথি ইয়াছমিন চাহিবায় কয় যে, জলছাৰ ইমান ডাঙৰ ব্যাৱস্থাপনা চাই মই বৰ আচৰিত হৈছো যে এওঁলোক কেনে বিধৰ লোক ! জলছাত সকলো ব্যাৱস্থা আদিৰ কতো কোনো বেমেজালি পাবলৈ নাই।

বুছনিয়াৰ আন এজন অতিথি নজাত চাহাব ৰোমন কমিউনিটিৰ এজন প্ৰখ্যাত নেতা আৰু টোতলা চহৰৰ কাউন্সিলৰ, তেওঁ কয় যে, জলছাৰ সকলো ব্যাৱস্থা আদি অতি সুন্দৰ ভাৱে পৰিচালনা কৰা হৈছে। এনেকুৱা প্ৰোগ্ৰামত মই আগতে কেতিয়াও যোগদান কৰা নাই। এই জলছা মোৰ বাবে বিভিন্ন দিশত শিক্ষনায় ভুমিকা লৈছে। কৰ্মীবৃন্দৰ মনযোগ পৱিত্ৰতাই বুজায় যে এই লোক সকল ঈমানৰ ক্ষেত্ৰত বৰ দৃঢ় আৰু এওঁলোকৰ কাম আৰু কথাৰ মাজত মিল থকাটোয়ে এওঁলোকৰ উন্নতিৰ ৰহস্য আৰু এওঁলোকৰ মাজত এই অৱস্থা সৃষ্টি হোৱাৰ মূলতে হ'ল এওঁলোকৰ খিলাফতৰ সৈতে সম্পৰ্ক।

এহাল অ-আহমদী দম্পত্তি নিজা খৰচেৰে জলছাত যোগদান কৰে। মাহিৰ চাহাবে কয় যে, ইয়াত অতিথি আলপৈচানত যি ভালপোৱা এওলোকে দেখুৱায়, যদি এওঁলোকে মোক মাটিত শুবলৈ আৰু শুকান ৰুটি খাবলৈ দিয়ে তথাপি এওঁলোকলৈ মোৰ কোনো অভিযোগ নাই। কাৰণ এওঁলোকৰ পৰা যি প্ৰেম-ভালপোৱা আমি পাইছো সেয়া পৃথিৱীৰ কতো দেখিবলৈ পোৱা নাযায়। আন এজন অতিথি, নাম আমিৰ চাহাব, যি জনে প্ৰথমএই জলছাত অংশ গ্ৰহন কৰিছে; তেওঁ কয় যে মই মোৰ হৃদয়ৰ অৱস্থা বৰ্ণনা কৰিব নোৱাৰো। এইবোৰ কথা কেৱল উপলব্দি হে কৰিব পৰা যায়। গতিকে প্ৰত্যেকৰ উচিত যে এই জান্নাত সদৃস পৰিৰেশত দিন চেৰেক কটাই প্ৰকৃত জান্নাত সম্পৰ্কে এটা বিশ্বাসৰ জন্ম দিয়ক।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; এই বছৰ বুলগেৰিয়াৰ পৰা ৫২ জনীয়া এটা দল জলছাত অংশ গ্ৰহন কৰে। তাৰে ২০ জন হ'ল আহমদী বাকী কেই জন অ-আহমদী অতিথি। উক্ত ব্যৱসায়ী উকিল, অধ্যাপক, ছাত্ৰ আৰু সাধাৰণ শ্ৰেণীৰ মানুহ আছিল। ইয়াৰে এজনী মহিলা এছিনৰাছে কয় যে, যদি মানুহে নিজৰ জীৱণত পৰিবৰ্ত্তন সাধন কৰিব বিচাৰে তেন্তে এই জলছাত অংশ গ্ৰহন কৰক। মই ইয়াৰ পৰা বহুত কথা শিকিব পাৰিছো, তাৰে এটা হ'ল ইয়াত আল্লাহৰ প্ৰতি প্ৰেম ভালপোৱাৰ শিক্ষা দিয়া

হয় আনটো হ'ল পৰস্পৰে প্ৰেম আৰু সন্মান কৰা শিকোৱা হয়।

বুলগেৰিন দলৰ এজন অতিথি ফফকোৰাটল চাহাবে কয় যে, একমাত্ৰ আহমদী লোকেই আছে যে যি সকলে প্ৰকৃততেই শান্তিৰ শিক্ষা দিয়ে, সন্মান কৰা শিকায় আৰু জগত খনক জান্নাতত পৰিণত কৰিব বিচাৰে। সচাঁকৈয়ে ইয়াত জীৱণৰ আলোক বিচাৰি পোৱা যায় এনেকুৱা ৰশ্মি যিয়ে মানৱত প্ৰাণ সঞ্চাৰ কৰে। এতিয়াৰ পৰা মই গোটেই জীৱণ মানুহক জনাম যে প্ৰকৃত ইছলামেই হ'ল আহমদীয়ত যিয়ে পৃথিৱীত শান্তি প্ৰতিষ্ঠাৰ্থে চেষ্টা কৰে।

এজনী ঈছাই মহিলায় কয় যে, এই জলছা একধৰণৰ মজেজা। জুমাৰ খোতবা শুনি বৰকৈ প্ৰভাৱিত হৈছো, মানৱ প্ৰীতি, ইজ্জত ও সন্মান ৰক্ষা কৰা, পৰস্পৰে সহানুভুতিশীল হোৱা, কোনো এজনৰ ভূল এটা আনলৈ সদৰি নকৰা,বৰং তাৰ শুধৰণীৰ বাবে দোৱা কৰা আদি এইবোৰ শিক্ষা, যিবোৰ খলিফায় বৰ্ণনা কৰিছে, যদি এইবোৰ কথা জগতবাসীয়ে শুনে আৰু সজ বাটত খোজ দিব বিচাৰে তেন্তে এই কল্যাণকৰ আহ্বানত সহাঁৰি জনাব লাগিব আৰু এই শিক্ষা অনুসৰণ কৰিব লাগিব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; মেছেডোনিয়াৰ পৰা ৬৫ জনীয়া এটা দল জলছাত অংশ গ্ৰহন কৰে। উক্ত দলত ৫ জন সাংবাদিক, তিনিজন আঞ্চলিক টি.ভি চ্যানেলক প্ৰতিনিধি এজন ন্যাশ্বনেল টি.ভি ৰ লিখক। উক্ত লিখক, সাংবাদিক সকলে জলছাৰ কাৰ্য্যক্ৰম ৰেকৰ্ডিং কৰিছে আৰু বিভিন্ন জনৰ ইণ্টাৰভিউ লৈছে আৰু ইয়াৰ ২৮ জন লোকে মোৰ লগত সাক্ষাৎ কৰিছে। তেওঁলোকে কয় যে এই ৰেকৰ্ডিং সমুহৰ ডকুমেণ্টৰি দেখুৱা হ'ব। উক্ত দলত ৩২ জন খৃষ্টান, ২৩ জন আহমদী, ১০ জন অ-আহমদী বন্ধু আছিল। ইয়াৰে এজনে জলছাৰ শেষত বয়াত কৰি লৈছে।

মেছেডোনিয়াৰ আৰু এজনী মহিলা অতিথিয়ে কয় যে খলিফাৰ ভাষণে মোৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে। মই এই ভাষণৰ পৰা গম পাইছো যে ইছলামৰ আচল উদ্দেশ্য হ'ল শান্তি, যুদ্ধ নহয়। যদি আমি এই শিক্ষাৰ ওপৰত চলো তেন্তে পৃথিৱীত যুদ্ধ বিহনেই শান্তি আৰু ভালপোৱা, মৰমৰ এক বিচৰণ ভুমি হৈ পৰিব। মহিলাৰ অধিকাৰ (হ'ক) সম্পৰ্কে তেখেতে যিবোৰ কথা কৈছে সেয়া বৰ উত্তম শিক্ষা। মেছেপোনিয়াৰ আন এজনী মহিলা অতিথিয়ে কৈছে যে, জলছাই মোক ইছলামৰ এক নতুন দিশৰ ফালে আঙুলিয়াইছে। এনে সময়ও মোৰ আছিল যে ইছলামৰ এটা শব্দ মোৰ বাবে হাৰাম আছিল। এতিয়া মোৰ সৈতে ইছলামৰ নতুন পৰিচয় ঘটিল। মই এজনী লেখিকা হিচাপে নতুন জ্ঞান অৰ্জন কৰিব পৰাত আপোনাক ধন্যবাদ জনাইছো। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয়; মোৰ লগত তাই সাক্ষাৎ কৰিছে আৰু কৈছে যে তাই ইমাম জমাত আহমদীয়াৰ সকলো কথাৰ উত্তৰ শুনি মুগ্ধ হৈছে। তেখেতে মোক এটা নতুন দিগন্তৰ ফালে সহাঁৰি জনাইছে আৰু নতুন অন্ত ৰীক্ষৰ ফালে উন্নীত কৰাৰ বাবে সহায় কৰিছে আৰু মই এতিয়া ইছলামৰ আচল ছবি প্ৰত্যক্ষ কৰিব পাৰিছো।

হুযুৰ আনোৱাৰ (আইঃ) য়ে বিভিন্ন দেশৰ পৰা অহা অতিথি সকলৰ ঈমান উদ্দীপক মন্তব্য সমুহ বৰ্ণনা কৰে। লগতে কয় যে, জাৰ্মানিত যোৱা দুই-তিনি বছৰ ধৰি বয়াতৰ অনুষ্ঠান পতা হৈ আছে। এই বছৰ ১১ খন দেশৰ ৩৩ জন লোকে বয়াত কৰাৰ সামৰ্থ্য লাভ কৰিছে। এই লোক সকল আলবানিয়া, গাম্বিয়া, ঘানা, জাৰমানি, ইৰাক, ইয়ামিন, মিৰাকচ, ফিলিস্তিন, ছিৰিয়া, তুৰ্কী, লিথোবেনিয়াৰ বাসিন্দা।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, জলছাৰ প্ৰথম দিনা নমাজে জুমাৰ পিছত মোৰ সৈতে প্ৰেছ বিভাগৰ এটা কনফাৰেঞ্চ অনুষ্ঠিত হয়, য'ত ন্যাশ্বনাল আৰু ইণ্টাৰনেশ্বন্যাল মিডিয়াও উপস্থিত আছিল। ইণ্টাৰন্যাশ্বনাল মিডিয়াত ইটালি, মেছেডোনিয়া, অষ্ট্ৰিয়া, ব্ৰাজিল, বেলজিয়াম আদি দেশৰ প্ৰতিনিধি উপস্থিত আছিল। ন্যাশ্বনেল লেভেলত জাৰ্মানিৰ চাৰিটা দুৰদৰ্শন কেন্দ্ৰৰ প্ৰতিনিধি আৰু তিনিটা প্ৰিণ্ট মিডিয়াৰ প্ৰতিনিধি উপস্থিত আছিল।

সমুহীয়া ভাৱে জাৰ্মানিৰ জলছা তিনি দিনৰেই Coverage হয়। প্ৰাপ্ত ৰিপোৰ্ট অনুসৰি ৫ টা টি.ভি. চ্যানেল ৩ টা ৰেডিও চ্যানেল আৰু ৬১ টা বাতৰি কাকত, প্ৰিণ্ট মিডিয়াৰ জৰিয়তে ৫ কৌটি ৫২ লাখ মানুহলৈ এই বাৰ্তা প্ৰেৰণ হৈছে। ইয়াৰ ওপৰিও ইণ্টাৰ ন্যাশ্বনাল মিডিয়াৰ প্ৰতি নিধিয়ে জনোৱা মতে, তেওঁ লোকৰ viewership অনুযায়ী ৪ কৌটি ১৩ লাখ লোকলৈ এই পয়গাম প্ৰেৰণ কৰা হয়। এনে দৰে alislam website ত জলছাৰ কাৰ্য্যক্ৰমনিকা জাৰ্মানিৰ M.T.A. Studio ৰ সহায়ত Upload দিয়া হয়। চেণ্টাৰ প্ৰেছ আৰু মিডিয়া অফিচৰ ফালৰ পৰা প্ৰচাৰ কৰা প্ৰেছ ৰিলিজও Upload কৰা হয়। আন হাতে ছোচিয়েল মিডিয়াতো জলছা কোৰেজ সম্পৰ্কে কাৰ্যকৰী ব্যাৰস্থা হাতত লোৱা হয়, য'ত ফেছবুকত ৩২ পোষ্টচ ছপা হৈছে,

যিটো ৪ লাখ ২০ হাজাৰ লোকে জলছাৰ টুয়েট দেখিছে।

খোতবাৰ শেষত হুযুৰ আনেৱাৰ (আইঃ) য়ে কয় যে; এই ভ্ৰমন কালত আল্লাহ তায়লাৰ কৃপাত এখন মছজিদ উদ্বোধনী কৰাৰ তৌফিক লাভ হয়। ইয়াৰো এটা ভাল প্ৰভাৰ অতিথি সকলৰ ওপৰত পৰে আৰু সকলোৰে এয়া প্ৰকাশ কৰে যে এনে ইছলাম এই জাৰ্মানিত প্ৰচাৰ লাভ কৰিব লাগে। উক্ত ফাংচনৰও সুন্দৰ Coverage হয়। দুটা টি.ভি. চ্যানেল আৰু দুখন বাতৰি কাকতৰ প্ৰতিনিধি ইয়াত উপস্থিত থাকে। এওঁলোকৰ জৰিয়তে ১৬ লাখ ৫০ হাজাৰ লোকলৈ ইছলামৰ বাৰ্তা প্ৰেৰণ হয়। আল্লাহ তায়লা জাৰ্মানিৰ জমাতক তৌফিক দান কৰক যাতে ভৱিষ্যতত ইয়াতকৈ বেছি ইছলামৰ বাণী প্ৰচাৰ কৰিব পাৰে আৰু যি পৰিচয় এতিয়ালৈকে বিস্তাৰ লাভ কৰিছে তাত আৰু বেছি বিস্তৃতি দান কৰক। (আমিন)

*********

| Assamese Khulasa Khutba Jumma Huzoor Anwar 1 September 2017 |
| --- |
| **BOOK POST (PRINTED MATTER)**<br>**To**<br>----------------------------------------<br>----------------------------------------<br>----------------------------------------<br>---------------------------------------- |
| **From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737** |